**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত আজিৰে পৰা হ'বলগীয়া জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে জি-২০ শীৰ্ষ সন্মিলনৰ সুযোগতে কালি অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি আলবানেজৰ সৈতে বৈঠকত মিলিত হয়।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ দেশজুৰি নতুন শ্ৰম বিধি ৰূপায়ণৰ বাবে শ্ৰমিকসকলক অভিনন্দন জনাইছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ছেকন্দৰাবাদৰ ৰাষ্ট্ৰপতি নীলয়মত কালি ভাৰতীয় কলা মহোৎসৱৰ দ্বিতীয় সংস্কৰণ মুকলি কৰে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ খেলপথাৰত আৰম্ভ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত আজিৰে পৰা হ'বলগীয়া জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে এই শীৰ্ষ সন্মিলনৰ আটাইকেইটা সত্ৰতে অংশগ্ৰহণ কৰিব আৰু গোলকীয় দক্ষিণ, বহনক্ষম উন্নয়ন, জলবায়ু শীৰ্ষক কাৰ্যসূচী, গোলকীয় প্ৰশাসনত সংস্কাৰ আদিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত বক্তব্য আগবঢ়াব। এয়া হ'ব প্ৰধানমন্ত্ৰীৰ দ্বাদশবাৰৰ বাবে জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ। প্ৰথমবাৰৰ বাবে আফ্ৰিকা মহাদেশত হ'বলগীয়া এই সন্মিলন বিশেষভাৱে গুৰুত্বপূৰ্ণ হ'ব। এই বছৰৰ এই শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হৈছে - সংহতি, সমতা আৰু বহনক্ষমতা। সন্মিলনত দক্ষিণ আফ্ৰিকাই দুৰ্যোগ প্ৰশমন ব্যৱস্থা শক্তিশালী কৰা, কম আয়ৰ দেশসমূহৰ বাবে ঋণৰ বহনক্ষমতা সুনিশ্চিত কৰা, ব্যাপক আৰু বহনক্ষম বিকাশৰ বাবে গুৰুত্বপূৰ্ণ খনিজ নিয়ন্ত্ৰণকে ধৰি বহু গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰিব। এই তিনিদিনীয়া সন্মিলনত অংশগ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী মোদী কালি সন্ধিয়া জোহান্সবাৰ্গত উপস্থিত হয়। শ্ৰীমোদীয়ে এই শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ আপাহতে ভাৰত, ব্ৰাজিল, দক্ষিণ আফ্ৰিকাৰ নেতৃবৰ্গৰ সৈতে বৈঠকত ভাগ ল'ব আৰু কেইবাগৰাকীও বিশ্বনেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকতো মিলিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-২০ শীৰ্ষ সন্মিলনৰ সুযোগতে কালি দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি আলবানেজৰ সৈতে বৈঠকত মিলিত হয়। ভাৰত আৰু অষ্ট্ৰেলিয়াই ব্যাপক কৌশলগত অংশীদাৰিত্বৰ পাঁচ বছৰ সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ গভীৰতা আৰু বিবিধতাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী দুগৰাকীয়ে প্ৰতিৰক্ষা আৰু সুৰক্ষা, গুৰুত্বপূৰ্ণ খনিজ, বাণিজ্য আৰু বিনিয়োগ, শিক্ষা তথা জনসাধাৰণৰ মাজৰ সম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে গোলকীয় যুঁজ শক্তিশালী কৰাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ভাৰতত শেহতীয়াকৈ সন্ত্ৰাসবাদী আক্ৰমণত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই আলোচনাকালত তিনিটা গুৰুত্বপূৰ্ণ খণ্ড - প্ৰতিৰক্ষা আৰু সুৰক্ষা, পাৰমাণবিক শক্তি আৰু বাণিজ্যৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। এই খণ্ডকেইটাত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধিৰ অপাৰ সম্ভাৱনা আছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁলোকে শিক্ষা আৰু সাংস্কৃতিক বিনিময় সন্দৰ্ভতো আলোচনা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে লগতে দক্ষিণ আফ্ৰিকীয় মাল্টিনেচনেল ইণ্টাৰনেট আৰু প্ৰযুক্তি কোম্পানী **নেছপাৰ্ছ**ৰ অধ্যক্ষ কুছ বেকাৰ আৰু মুখ্য কাৰ্যবাহী সদস্য ফেব্ৰিছিঅ' ব্লছিৰ সৈতে বৈঠকত মিলিত হয়। তেওঁলোকে ভাৰতৰ ডিজিটেল পৰিস্থিতি তন্ত্ৰ, কৃত্ৰিম বুদ্ধিমত্তা, ষ্টাৰ্টআপ আৰু মহাকাশ খণ্ডত বিনিয়োগ বৃদ্ধি তথা উপভোক্তা বজাৰ আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত নতুন সুযোগ অন্বেষণ সন্দৰ্ভত আলোচনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে ভাৰতত নেছপাৰ্ছৰ সফলতাই বাণিজ্য সুগম কৰাৰ উপৰি দেশত ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰাকে প্ৰতিফলিত কৰে। ইয়াৰ পাছত শ্ৰী মোদীয়ে দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় মূলৰ প্ৰযুক্তি উদ্যমী আৰু প্ৰবাসী ভাৰতীয় সকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকক ভাৰতৰ সৈতে সম্পৰ্ক গভীৰ কৰি তুলিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে প্ৰযুক্তি উদ্যমীসকলৰ সৈতে তেওঁলোকে নিয়োজিত হৈ থকা ফিনটেক, সামাজিক মাধ্যম, কৃষি, শিক্ষা, স্বাস্থ্যসেৱা, চিকিৎসা সামগ্ৰীৰ দৰে খণ্ডসমূহৰ বিষয়ে আলোচনা কৰে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে চিন্ময় মিছনৰ পৰা এটা কলহ লাভ কৰে, য'ত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ পৰা শ্ৰীঅন্ন অৰ্থাৎ বাজৰা সংগ্ৰহ কৰা হৈছে। এই কলহটো দাৰবানৰ অন্নপূৰ্ণা দেৱী মন্দিৰত ৰখা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি বম্বে আৰু উচ্চ শিক্ষা বিভাগে আজিৰ পৰা দুদিনীয়া ৰাষ্ট্ৰীয় কল্যাণ সন্মিলন ২০২৫ৰ আয়োজন কৰিছে। এই বৃহৎ সমাৱেশত ২০ খন আই আই টি, ৬খন আই আই আই টি, আৰু ৮খন আই আই এমকে ধৰি ৮২খন উচ্চ শিক্ষানুষ্ঠানক একত্ৰিত কৰা হ'ব। এই সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ১৪১ গৰাকী অধ্যাপক আৰু ১৩০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সন্মিলনখনৰ কাৰ্যসূচীত তিনিটা গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ অন্তৰ্ভুক্ত কৰা হৈছে। এই আলোচনা চক্ৰৰ বিষয়বস্তুসমূহৰ

ভিতৰত ভাৰতীয় উচ্চ শিক্ষাৰ ভৱিষ্যত, মানসিক-সামাজিক উদ্বেগসমূহৰ আগতীয়া চিনাক্তকৰণ আৰু সমাধানৰ উপায়, আৰু সামগ্ৰিক কল্যাণকামী পৰিৱেশ তন্ত্ৰৰ বাবে সহযোগিতামূলক কাঠামো আদি অন্যতম। সন্মিলনত আয়োজিত কৰ্মশালাসমূহত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত মৌলিক দক্ষতা বৃদ্ধি তথা ডিজিটেল শিক্ষাক প্ৰসাৰ কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। এই সন্মিলনে শিক্ষানুষ্ঠানসমূহৰ মাজত সহযোগিতাৰ ভেটি স্থাপন কৰাৰ লগতে কেম্পাছসমূহৰ বাবে এটা শক্তিশালী পৰিকাঠামো প্ৰদান কৰিব।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ দেশজুৰি নতুন শ্ৰম বিধি ৰূপায়ণৰ বাবে দেশৰ শ্ৰমিকসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত প্ৰস্তুত কৰা এই শ্ৰম বিধি, শ্ৰম আইনৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে কালি দেশৰ শতিকাপুৰণি শ্ৰম আইনৰ সৰলীকৰণৰ উদ্দেশ্যে চাৰিখন নতুন শ্ৰম বিধিৰ কাৰ্যকৰীকৰণৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডভিয়াই কয় যে এই নতুন শ্ৰম বিধিয়ে দেশৰ কৰ্মশক্তিৰ কল্যাণৰ লগতে উপযুক্ত মজুৰি সুৰক্ষা তথা সামাজিক নিৰাপত্তা নিশ্চিত কৰিব। মজুৰি বিধি ২০১৯, ঔদ্যোগিক সম্পৰ্ক বিধি ২০২০, সামাজিক নিৰাপত্তা বিধি ২০২০ আৰু জীৱিকাৰ সুৰক্ষা, স্বাস্থ্য আৰু কৰ্মপৰিৱেশ বিধি ২০২০ কালিৰে পৰা কাৰ্যকৰী হৈছে। এই বিধিকেইখনে সকলো শ্ৰমিককে সময় মতে ন্যূনতম মজুৰি আদায় দিয়া, যুৱক-যুৱতীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা, মহিলাক সন্মান তথা সমান হাৰত মজুৰি দিয়া, ৪০ কোটি শ্ৰমিকৰ বাবে সামাজিক নিৰাপত্তাৰ ব্যৱস্থা কৰা, এটা নিৰ্দিষ্ট কালৰ বাবে চাকৰিত মকৰল কৰাসকলক চাকৰি কাল এবছৰ সম্পূৰ্ণ হ'লে গ্ৰেচ্যুইটি প্ৰদানৰ ব্যৱস্থা কৰিছে। ইয়াৰ লগতে ৪০ বছৰ উৰ্ধৰ কৰ্মচাৰীসকলৰ বিনামূলীয়াকৈ প্ৰতিবছৰে স্বাস্থ্য পৰীক্ষা কৰাৰ ওপৰঞ্চি কামৰ বাবে মজুৰিৰ ব্যৱস্থা, বিপজ্জনক কামত নিয়োজিত শ্ৰমিকৰ বাবে সম্পূৰ্ণ স্বাস্থ্য সুৰক্ষাৰ ব্যৱস্থা কৰা আৰু সকলো শ্ৰমিককে আন্তঃৰাষ্ট্ৰীয় মানৰ সামাজিক ন্যায়ৰ নিশ্চিতি দিয়াৰ কথাও এই সংস্কাৰত সামৰি লোৱা হৈছে।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ছেকেণ্ডৰাবাদৰ ৰাষ্ট্ৰপতি নীলয়মত কালি ভাৰতীয় কলা মহোৎসৱৰ দ্বিতীয় সংস্কৰণ মুকলি কৰে। ৰাষ্ট্ৰপতি নীলয়মে সংস্কৃতি মন্ত্ৰালয়, বস্ত্ৰ মন্ত্ৰালয় আৰু পৰ্যটন মন্ত্ৰালয়ৰ সহযোগত এই নদিনীয়া সাংস্কৃতিক মহোৎসৱৰ আয়োজন কৰিছে। মহোৎসৱত গুজৰাট, মহাৰাষ্ট্ৰ, ৰাজস্থান, গোৱা, দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু দিউৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৰে কয়, যে ভাৰতীয় কলা মহোৎসৱৰ প্ৰথম সংস্কৰণত জনসাধাৰণক উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়া হৈছিল। এইবাৰৰ সংস্কৰণত জনসাধাৰণে পশ্চিম ভাৰতৰ সংস্কৃতি-পৰম্পৰাক প্ৰত্যক্ষ কৰাৰ সাক্ষী হ'ব। তেওঁ কয়, যে চৰকাৰে জনসাধাৰণক বিশেষকৈ যুৱ চামক দেশৰ বৰ্ণাঢ্য ঐতিহ্যসমূহৰ সৈতে সংযুক্ত কৰি ৰখাৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতীয় কলা মহোৎসৱৰ দৰে অনুষ্ঠানসমূহে দেশৰ

বিভিন্ন প্ৰান্তৰ লোকসকলক এজনে আনজনক বুজাৰ সুযোগ দিয়াৰ লগতে দেশৰ বৰ্ণাঢ্য পৰম্পৰাক সন্মান প্ৰদৰ্শনৰ বাবে উৎসাহিত কৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

ooooo

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰত কালি অনুষ্ঠিত ডুবাই এয়াৰ শ্ব'ত ভাৰতীয় বায়ুসেনা বাহিনীৰ এখন তেজাছ যুদ্ধবিমান দুৰ্ঘটনাগ্ৰস্ত হয়। ভাৰতীয় বায়ুসেনাৰ তথ্য অনুসৰি এই দুৰ্ঘটনাত পাইলট উইং কমাণ্ডাৰ নমাংশ শ্যালৰ মৃত্যু হয়। দুৰ্ঘটনাৰ কাৰণ নিশ্চিত কৰাৰ বাবে অনুসন্ধানৰ নিৰ্দেশ দিয়া হৈছে। ভাৰতীয় বায়ুসেনাবাহিনীয়ে এই ঘটনাত প্ৰাণহানি হোৱা পাইলটগৰাকীৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে তথা শোকসন্তপ্ত পৰিয়ালটোৰ লগত দৃঢ়তাকে থিয় দিছে। উল্লেখযোগ্য যে যুঁজাৰু বিমানখনে এয়াৰ শ্ব'ত অংশগ্ৰহণ কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়।

ooooo

ভাৰতৰ লক্ষ্য সেন অষ্ট্ৰেলিয়ান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্যই কালি ছিডনীত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত আয়ুষ ছেট্টীক ২৩-২১, ২১-১১ চেটত পৰাস্ত কৰে। আজি চেমিফাইনেলত খেলুৱৈগৰাকী টাইৱানৰ চাও টিয়েন ছেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ খেলপথাৰত আৰম্ভ হ'ব। খেলখন পুৱা ৯ বজাত আৰম্ভ হ'ব। কলকাতাত অনুষ্ঠিত প্ৰথমখন টেষ্টত ডিঙিত আঘাত পোৱাৰ বাবে অধিনায়ক শুভমন গীলে আজিৰ খেলত অংশগ্ৰহণ নকৰাত উইকেট কীপাৰ ঋষভ পণ্টে ভাৰতীয় দলটোক নেতৃত্ব দিব। উল্লেখযোগ্য যে চলিত শৃংখলাটোত দক্ষিণ আফ্ৰিকাই প্ৰথম টেষ্টত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰি আছে। ভাৰতে শৃংখলাটোত ১-১ৰ সমতা স্থাপনৰ বাবে চেষ্টা কৰিব।

ooooo

সমাপ্ত